# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-02-2026
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত ভাৰত কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ সন্মিলন উদ্বোধন কৰিব।

২। জেনেভাত আমেৰিকা আৰু ৰাছিয়াৰ সৈতে হোৱা ত্ৰিপাক্ষিক আলোচনাৰ ফলাফল যথেষ্ট নাছিল বুলি ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমীৰ জেলেনস্কিয়ে মন্তব্য কৰিছে।

৩। পশ্চিমবংগত চলি থকা বিশেষ এছ্ আই আৰৰ অধীনত বৃহৎসংখ্যক ভোটাৰৰ নথিপত্ৰ অনলাইন যোগে আপলোড নকৰাৰ বাবে নিৰ্বাচন আয়োগে সংশ্লিষ্ট বিষয়াসকলক কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰিছে।

৪। ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ পৱিত্ৰ ৰমজান মাহ আজি আৰম্ভ হ'ব।

*আৰু*

৫। আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা গ্ৰুপ-এৰ অন্তিমখন খেলত যোৱাবাৰৰ বিজয়ী ভাৰতে, নেডাৰলেণ্ডছক ১৭ ৰানত পৰাজিত কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত ভাৰত AI-ইম্পেক্ট সন্মিলন ২০২৬ উদ্বোধন কৰিব। মুকলি অনুষ্ঠানত ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ', ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান এণ্টনিঅ' গুটেৰেছৰ লগতে বিশ্বৰ বিভিন্ন শীৰ্ষ প্ৰতিষ্ঠানৰ নেতাসকলেও ভাষণ দিব। বিশ্বৰ বিভিন্ন প্ৰান্তৰ নেতাসকল এই কৃত্ৰিম বুদ্ধিমত্তা সন্মিলনত উপস্থিত থকাৰ কথা।

কাৰ্যসূচী অনুসৰি,দিনৰ ভাগত আয়োজিত নেতাসকলৰ পূৰ্ণাংগ সভাত ৰাষ্ট্ৰপতি, মন্ত্ৰী আৰু বহুপক্ষীয় প্ৰতিষ্ঠানসমূহৰ জ্যেষ্ঠ প্ৰতিনিধিসকলক একত্ৰিত কৰি শাসন, আন্তঃগাঁথনি, আৰু আন্তঃৰাষ্ট্ৰীয় সহযোগিতাকে ধৰি কৃত্ৰিম বুদ্ধিমত্তাৰ বিষয়ত ৰাষ্ট্ৰীয় আৰু গোলকীয় অগ্ৰাধিকাৰৰ ৰূপৰেখা দাঙি ধৰা হ'ব। সন্ধিয়া মুখ্য কাৰ্যবাহী বিষয়াসকলৰ ঘূৰণীয়া মেজমেলত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অংশগ্ৰহণ কৰিব। এই কাৰ্যসূচীত চৰকাৰী নেতৃত্বৰ সৈতে বিশ্বব্যাপী প্ৰযুক্তি আৰু উদ্যোগ প্ৰতিষ্ঠানসমূহৰ জ্যেষ্ঠ কাৰ্যবাহীসকলক আহ্বান কৰি

বিনিয়োগ, গৱেষণা সহযোগিতা, যোগান শৃংখল, আৰু কৃত্ৰিম বুদ্ধিমত্তা ব্যৱস্থাৰ নিয়োগৰ বিষয়ে আলোচনা কৰা হ'ব।

উল্লেখযোগ্য যে, ভাৰত AI Impact Summit 2026ৰ বিষয়বস্তু হৈছে **सर्वजन हिताय, सर्वजन सुखाय**, সকলোৰে কল্যাণ, সকলোৰে সুখ। ভাৰতক কৃত্ৰিম বুদ্ধিমত্তাৰ ক্ষেত্ৰত আগশাৰীৰ দেশ হিচাপে স্থান দিয়াৰ লক্ষ্যৰে আয়োজিত এই সন্মিলনৰ মাধ্যমেৰে এনে ভৱিষ্যতৰ কল্পনা কৰা হৈছে য'ত কৃত্ৰিম বুদ্ধিমত্তাই মানৱতাক আগুৱাই নিব আৰু সৰ্বাংগীন বিকাশ সুনিশ্চিত তথা সুৰক্ষিত কৰিব। এই সন্মিলনত বিশ্বৰ ৫০০ৰো অধিক কৃত্ৰিম বুদ্ধিমত্তা নেতা, প্ৰায় ১০০ জন মুখ্য কাৰ্যবাহী বিষয়া আৰু প্ৰতিষ্ঠাপক, ১৫০ জন শিক্ষাবিদ আৰু গৱেষক, আৰু ৪০০ জন মুখ্য প্ৰযুক্তি বিষয়া আৰু জনহিতৈষী ব্যক্তি একত্ৰিত হ'ব। ইয়াৰ উপৰিও ২০ গৰাকীতকৈ অধিক ৰাষ্ট্ৰ তথা চৰকাৰৰ মুৰব্বী আৰু প্ৰায় ৬০গৰাকী মন্ত্ৰী আৰু উপমন্ত্ৰীকে ধৰি ১০০ গৰাকীৰো অধিক চৰকাৰী প্ৰতিনিধিও এই সন্মিলনৰ অংশ হ'ব।

ooooo

নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত ভাৰত কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ সন্মিলন ২০২৬ৰ পৰিপ্ৰেক্ষিতত ইলেকট্ৰনিক্স আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয়ে বিশেষ পৰামৰ্শৱলী জাৰি কৰিছে। এই পৰামৰ্শৱলীত পঞ্জীয়নভুক্ত প্ৰতিনিধিসকলৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা আৰু নিৰাপত্তা নিয়মাৱলীৰ কিছু সংশোধন অন্তৰ্ভুক্ত কৰা হৈছে। এই পৰামৰ্শৱলী অনুসৰি ভাৰত মণ্ডপমত প্ৰদৰ্শনীৰ এলেকা পঞ্জীয়নভুক্ত আৰু প্ৰদৰ্শনী প্ৰতিনিধিসকলৰ বাবে বন্ধ ৰখা হ'ব আৰু আমন্ত্ৰিতসকলকৰ বাবেহে অভিৱৰ্তন কেন্দ্ৰত প্ৰৱেশৰ অনুমতি থাকিব। মন্ত্ৰালয়ে কৈছে, যে উদ্বোধনী কাৰ্যসূচীৰ বাবে বৈধ বেজ পৰিহিত আমন্ত্ৰিত অতিথিসকলক ৪ আৰু ১০ নম্বৰ গে'টদি প্ৰৱেশৰ অনুমতি দিয়া হৈছে। যান-বাহনৰ প্ৰৱেশ-পত্ৰ থকা আমন্ত্ৰিত অতিথিসকলে ১ নম্বৰ গেটেৰে প্ৰৱেশ কৰিব পাৰিব।

ooooo

জেনেভাত আমেৰিকা আৰু ৰাছিয়াৰ সৈতে হোৱা ত্ৰিপাক্ষিক আলোচনাৰ ফলাফল যথেষ্ট নাছিল বুলি ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমীৰ জেলেনস্কিয়ে মন্তব্য কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত জেনস্কিয়ে কয়, যে চলিত সংঘৰ্ষৰ সমাপ্তিৰ বাবে সম্ভাব্য আপোচ আদিকে ধৰি স্পৰ্শকাতৰ ৰাজনৈতিক বিষয়সমূহ সন্দৰ্ভত উপযুক্ত আলোচনা হোৱা নাছিল। এই মাহৰ শেষৰ পিনে পৰৱৰ্তী বৈঠক অনুষ্ঠিত হ'ব বুলি তেওঁ ঘোষণা কৰে। উল্লেখযোগ্য যে, জেনেভা আলোচনা হৈছে ২০২২ চনৰ ফেব্ৰুৱাৰীত ইউক্ৰেইন আৰু ৰাচিয়াৰ মাজত আৰম্ভ হোৱা সংঘৰ্ষ আলোচনাৰ মাধ্যমেৰে পৰিসমাপ্তি ঘটোৱাৰ বাবে আমেৰিকাৰ মধ্যস্থতাত আন্তঃৰাষ্ট্ৰীয় পদক্ষেপসমূহৰ এটা অংশ।

ooooo

পশ্চিমবংগত চলি থকা বিশেষ পুংখানুপুংখ পুনৰীক্ষণ প্ৰক্ৰিয়া SIRৰ অধীনত বৃহৎসংখ্যক ভোটাৰৰ নথি-পত্ৰ অনলাইনযোগে আপলোড নকৰাৰ বাবে দেশৰ নিৰ্বাচন

আয়োগে সংশ্লিষ্ট ERO অৰ্থাৎ নিৰ্বাচনী পঞ্জীয়ন বিষয়া আৰু AERO বা সহকাৰী নিৰ্বাচনী পঞ্জীয়ন বিষয়াসকলক কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

এগৰাকী বিষয়াই প্ৰকাশ কৰা অনুসৰি, শুনানি সমাপ্ত হোৱাৰ চাৰিদিনৰ পাছতো প্ৰায় ১ লাখ ১৫ হাজাৰ নথি-পত্ৰ আপলোড কৰিবলৈ বাকী আছে।

আয়োগে সকলো ERO আৰু AERO সকলক স্পষ্টভাৱে নিৰ্দেশ দিছিল যে যদি কোনো আবেদন নাকচ কৰা হয় তেন্তে তাৰ নিৰ্দিষ্ট কাৰণ স্পষ্টকৈ উল্লেখ কৰিব লাগিব। কিন্তু কেইবাটাও ক্ষেত্ৰত এই নিয়ম উলংঘা হোৱাৰ অভিযোগ উত্থাপন হৈছে। নিষ্কাশন প্ৰক্ৰিয়াও লেহেমীয়া গতিৰে আগবঢ়াৰ উপৰি কিছুমান অঞ্চলত হঠাতে ব্যৱস্থা বিকল হোৱাৰ খবৰ আহিছে। এই দিশসমূহৰ উল্লেখ কৰি আয়োগে কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰাৰ সিদ্ধান্ত লৈছে।

ইপিনে, সৰ্বভাৰতীয় তৃণমূল কংগ্ৰেছে অভিযোগ কৰিছে যে বিশেষ তালিকা পৰ্যবেক্ষক চি. মুৰুগানে হোৱাটছএপৰ জৰিয়তে বিষয়াসকলক নিৰ্দেশ জাৰি কৰি উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ উলংঘা কৰিছে।

অভিযোগৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মুখ্য নিৰ্বাচনী বিষয়া মনোজ কুমাৰ আগৰৱালাই স্পষ্ট কৰে যে শ্ৰীমুৰুগানে কোনো স্বতন্ত্ৰ নিৰ্দেশনা জাৰি কৰা নাই, বৰঞ্চ আয়োগৰ নিৰ্দেশনাহে ব্যাখ্যা কৰিছে। তেওঁ লগতে কয় যে, তৃণমূল কংগ্ৰেছৰ অভিযোগ সন্দৰ্ভত শ্ৰীমুৰুগানৰ সৈতে কথা পতা হ'ব। অৱশ্যে শ্ৰীমুৰুগানৰ পদত্যাগৰ দাবী সন্দৰ্ভত মুখ্য নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ৰ পৰা কোনো তথ্য সদৰী কৰা হোৱা নাই।

00000

ভাৰতত তীখাৰ ব্যৱহাৰ অভূতপূৰ্ব বৃদ্ধি পাই ২০১৪-১৫ চনৰ ৭.৭ কোটি টনৰ তুলনাত ২০২৪-২৫ চনত ১৫.২ কোটি টন হোৱা বুলি তীখা মন্ত্ৰালয়ৰ সচিব সন্দীপ পণ্ড্ৰিকে সদৰী কৰিছে।

নতুন দিল্লীত চলি থকা ইণ্ডিয়া এ. আই. ইমপেক্ট ছামিট ২০২৬ত তীখা মন্ত্ৰালয়ৰ পেভিলিয়নত এটি সত্ৰত নিজৰ ভাষণত তেওঁ এই সন্দৰ্ভত মন্তব্য কৰে। শ্ৰীপণ্ড্ৰিকে আস্থা প্ৰকাশ কৰে যে ভাৰতৰ অশোধিত তীখাৰ ক্ষমতা ২০৩০-৩১ চনৰ ভিতৰত ৩০ কোটি টন আৰু ২০৩৫-৩৬ চনৰ ভিতৰত ৪০০ মেট্ৰিক টন হ'ব বুলি আশা কৰা হৈছে। এই সত্ৰত

আগশাৰীৰ তীখা উৎপাদক আৰু লোৰ অক্সাইড খনিকৰসকলক একত্ৰিত কৰি কৃত্ৰিম বুদ্ধিমত্তা উদ্ভাৱকসকলৰ সন্মুখত তেওঁলোকৰ ভৱিষ্যতৰ ৰূপৰেখা দাখিল কৰা হয়।

০০০০০

ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ পৱিত্ৰ ৰমজান মাহ আজি আৰম্ভ হ'ব। উল্লেখযোগ্য যে, দেশৰ বিভিন্ন প্ৰান্তত কালি সন্ধিয়া জোন দেখা পোৱাৰ পিছত আজিৰে পৰা ইছলাম ধৰ্মাৱলম্বী লোকসকলে তেওঁলোকৰ পৱিত্ৰ ৰমজান মাহ পালন কৰিব। ৰমজান হৈছে ইছলামিক কেলেণ্ডাৰৰ নৱম মাহ আৰু এই পৱিত্ৰ মাহৰ এমাহজোৰা উপৱাসৰ অন্তত ঈদ-উল-ফিটৰ পালন কৰা হয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৱিত্ৰ ৰমজান উপলক্ষে দেশবাসীৰ প্ৰতি শুভেচ্ছা জ্ঞাপন কৰিছে। সকলোকে ৰমজান মোবাৰক জ্ঞাপন কৰি শ্ৰীমোদীয়ে এই পৱিত্ৰ মাহে সমাজত একতাৰ মনোভাৱ অধিক সুদৃঢ় কৰিব বুলি আশা প্ৰকাশ কৰে। তেওঁ লগতে সকলোৰে সুখ-সমৃদ্ধি কামনা কৰে।

০০০০০

ভাৰতীয় খাদ্য নিগম আৰু বিশ্ব খাদ্য কাৰ্যসূচী WFPয়ে অনাহাৰৰ বিৰুদ্ধে যুঁজ দিয়াৰ লক্ষ্যৰে বিশ্বজুৰি মানৱীয় অভিযানৰ সমৰ্থনত চাউলৰ যোগানৰ বাবে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে।

কেন্দ্ৰীয় গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰালয়ে জনাইছে যে এই বুজাবুজিৰ চুক্তিৰ অধীনত নিগমে WFP'ক দুই লাখ মেট্ৰিক টন চাউল যোগান ধৰিব।

খাদ্য আৰু ৰাজহুৱা বিতৰণ বিভাগৰ সচিব সঞ্জীৱ চোপ্ৰাই মন্তব্য কৰে যে, এই চুক্তিয়ে দেশৰ সংকল্প প্ৰদৰ্শন কৰিছে যাতে কোনোৱেই ভোকত থাকিবলগীয়া নহয়। অপুষ্টি আৰু খাদ্য অসুৰক্ষাৰ বিৰুদ্ধে যুঁজৰ ক্ষেত্ৰত ভাৰতে আন্তঃৰাষ্ট্ৰীয় সমাজৰ সৈতে সদায় থিয় দিব বুলিও তেওঁ লগতে কয়। এই অংশীদাৰিত্বই বিশ্ব খাদ্য সুৰক্ষাৰ প্ৰতি ভাৰতৰ দায়বদ্ধতাক অধিক শক্তিশালী ৰূপত উপস্থাপন কৰিব বুলি ধাৰণআ কৰা হৈছে।

০০০০০

আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ-এৰ অন্তিমখন  খেলত যোৱাবাৰৰ বিজয়ী ভাৰতে, নেডাৰলেণ্ডছক ১৭ ৰানত পৰাজিত কৰে। খেলখনত প্ৰথমে বেট ধৰি ভাৰতে নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেট হেৰুৱাই ১৯৩ ৰান সংগ্ৰহ কৰে। শিৱম ডুবেই ৩১টা বলত ৬৬ ৰান কৰে। প্ৰত্যুত্তৰত নেডাৰলেণ্ডছে নিৰ্ধাৰিত ২০ অভাৰত মাত্ৰ ১৭৬ ৰানহে কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ হৈ বৰুন চক্ৰৱৰ্তীয়ে তিনিটা আৰু শিৱম ডুবেই দুটা উইকেট লাভ কৰে। শিৱম ডুবেক প্লেয়াৰ অব দ্যা মেচ ঘোষণা কৰা হয়।

অহা দেওবাৰে আহমেদাবাদত ভাৰতে ছুপাৰ-এইট পৰ্যায়ৰ  নিজৰ প্ৰথমখন খেলত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ইয়াৰ পূৰ্বে কালি গ্ৰুপ-এৰ আন এখন খেলত পাকিস্তানে নামিবিয়াক ১০২ ৰানত পৰাজিত কৰি ছুপাৰ-এইট পৰ্যায়ত অন্তিমটো দল হিচাপে প্ৰৱেশ কৰে। খেলখনত পাকিস্তানে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৩ উইকেটৰ বিনিময়ত ১৯৯ ৰান কৰে। প্ৰত্যুত্তৰত নামিবিয়াই ১৭ অভাৰ আৰু তিনিটা বলতেই আটাইকেইটা উইকেট হেৰুৱাই ৯৭ ৰানহে কৰিবলৈ সমৰ্থ হয়।

ইপিনে, নতুন দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত কালি গ্ৰুপ-ডি অন্তিমখন দক্ষিণ আফ্ৰিকাই সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰৰ বিৰুদ্ধে ৬ উইকেটত জয়লাভ কৰে।

প্ৰতিযোগিতাত আজি দিনৰ ১১ বজাত কলকাতাৰ ইডেন গাৰ্ডেনছ্ ৱেষ্ট ইণ্ডিজে ইটালীৰ বিৰুদ্ধে খেলিব। বিয়লি ৩ বজাত কলম্বোত শ্ৰীলংকা, জিম্বাবুৱেৰ মুখামুখি হ'ব। আনহাতে চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত সন্ধিয়া ৭ বজাত আজি তৃতীয়খন খেলত আফগানিস্তান কানাডাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

00000

**সমাপ্ত**